# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 19-12-2025
**Time :** 1910 hrs

## *Assamese Evening Bulletin*

## HEADLINES

১। সংসদৰ শীতকালীন অধিবেশনৰ কাম-কাজ আজিৰে পৰা অনিৰ্দিষ্ট কালৰ বাবে স্থগিত ৰখা হয়।

২। অধিবেশনৰ সময়ছোৱাত লোকসভাত ৮খন বিধেয়ক গৃহীত হোৱাৰ লগতে ৰাজ্যসভাই ৮খন বিধেয়কত অনুমোদন জনাইছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ পশ্চিম বংগ আৰু অসমত কেইবাটাও প্ৰকল্পৰ আধাৰশিলা আৰু উন্মোচন কৰিব।

৪। ব্যক্তিগত ৰাজহুৱা ওজৰ আপত্তি আৰু পেঞ্চন মন্ত্ৰালয়ে আজিৰে পৰা চলিত বৰ্ষৰ সুপ্ৰশাসন সপ্তাহ - **প্ৰশাসন গাঁৱৰ দিশে** কাৰ্যসূচী আৰম্ভ কৰিছে।

আৰু

৫। আহমেদাবাদত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত টছত জিকি দক্ষিণ আফ্ৰিকা ভাৰতক প্ৰথমে বেটিঙৰ বাবে আমন্ত্ৰণ জনাইছে।

০০০০০

সংসদৰ শীতকালীন অধিবেশনৰ কাম-কাজ অনিৰ্দিষ্ট কালৰ বাবে স্থগিত ৰখা হয়। যোৱা পহিলা ডিচেম্বৰত এই অধিবেশন আৰম্ভ হৈছিল। লোকসভা অধ্যক্ষ ওম বিৰলাই তেওঁৰ সামৰণি ভাষণত এইবাৰৰ অধিবেশন ১১১ শতাংশ ফলপ্ৰসূ আছিল বুলি প্ৰকাশ কৰিছে। অধিবেশনৰ কালছোৱাত ১৫খন বৈঠক অনুষ্ঠিত হয়। সদনৰ কাম-কাজ সুচাৰুৰূপে চলাই নিয়াৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ বাবে তেওঁ সকলো সদস্যকে ধন্যবাদ জনায়। ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে তেওঁৰ সামৰণি ভাষণত ৯২ ঘণ্টা ধৰি চলা ৰাজ্যসভাৰ কাম-কাজ ১২১ শতাংশ ফলপ্ৰসূ আছিল বুলি উল্লেখ কৰে। এইবাৰৰ অধিবেশনত ঐতিহাসিক আৰু গণতান্ত্ৰিকভাৱে গুৰুত্বপূৰ্ণ বিষয়সমূহৰ সন্দৰ্ভত উচ্চ মানৰ বিতৰ্ক আৰু আলোচনা অনুষ্ঠিত হৈছিল বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয় যে ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ডেৰশ বছৰ উপলক্ষে আয়োজিত বিশেষ আলোচনাত ৮২ গৰাকী সাংসদে অংশগ্ৰহণ কৰে। সদনে নিৰ্বাচনী সংস্কাৰ সন্দৰ্ভত আয়োজন কৰা আলোচনাত ৫৭গৰাকী সাংসদে অংশগ্ৰহণ কৰি দেশৰ গণতান্ত্ৰিক প্ৰক্ৰিয়াক শক্তিশালী কৰাৰ বাবে নিজৰ পৰামৰ্শ আগবঢ়ায়। শ্ৰীৰাধাকৃষ্ণণে কালিৰ বৈঠকত বিৰোধী সদস্যসকলে বাধাৰ সৃষ্টি কৰা বিষয়টোক লৈ উদ্বেগ প্ৰকাশ কৰে। শ্লোগান দিয়া, প্লা কাৰ্ড প্ৰদৰ্শন কৰা, আলোচনা কালত মন্ত্ৰীসকলক উত্তৰ দিয়াত বাধা দিয়া, কাগজ ফালি দলিওৱা আদি সংসদৰ সদস্যসকলৰ অশোভনীয় আচৰণ বুলি তেওঁ উল্লেখ কৰে। সাংসদসকলে আত্মোপলব্ধি কৰি ভৱিষ্যতে এনে আচৰণৰ পুনৰাবৃত্তি নকৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। অধিবেশনৰ পাছত নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয় যে এই শীতকালীন অধিবেশনত গৃহীত হোৱা বিধেয়কসমূহে দেশৰ কোটি কোটি লোকৰ জীৱনৰ মান উন্নত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ লগতে ভাৰতক এখন উন্নত দেশ হিচাপে গঢ়ি তোলাত সহায় কৰিব। মন্ত্ৰীগৰাকীয়ে সংসদৰ শীতকালীন অধিবেশনক দেশৰ বাবে অতি ফলপ্ৰসূ বুলি আখ্যা দিয়ে। তেওঁ কয় যে এইবাৰ প্ৰথমবাৰৰ বাবে নিৰ্বাচনী সংস্কাৰ সন্দৰ্ভত পৃথক আলোচনা অনুষ্ঠিত হয়। বহু লোকে নিৰ্বাচন প্ৰক্ৰিয়াৰ বিষয়ে প্ৰশ্ন উত্থাপন কৰে যদিও এইবাৰ দুয়োখন সদনতে হোৱা আলোচনাৰ পাছত আটাইবোৰ কথা স্পষ্ট হ'ল বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। নিৰ্বাচন আয়োগ তথা নিৰ্বাচনী প্ৰক্ৰিয়াটোক লৈ অভিযোগ তোলা লোকসকলেও উচিত প্ৰত্যুত্তৰ লাভ কৰিলে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

এই অধিবেশনত লোকসভাত ১০খন বিধেয়ক উত্থাপন কৰা হৈছিল আৰু ৮খন গৃহীত হৈছে। ৰাজ্যসভাইও ৮খন বিধেয়কত অনুমোদন জনাইছে।

০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই বিৰোধী সাংসদসকলে মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ এগৰাকী ন্যায়াধীশৰ বিৰুদ্ধে উত্থাপন কৰা মহাভিযোগ প্ৰস্তাৱটো সন্দৰ্ভত বিধি প্ৰক্ৰিয়া অনুসৰি বিচাৰ চলাই আছে বুলি প্ৰকাশ কৰিছে। ডি এম কে আৰু আন বিৰোধী দলৰ সাংসদসকলে সংবিধানৰ ২১৭ আৰু ১২৪ অনুচ্ছেদৰ অধীনত মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ জি আৰ স্বামীনাথনৰ বিৰুদ্ধে লোকসভাৰ অধ্যক্ষৰ ওচৰত মহাভিযোগ প্ৰস্তাৱ দাখিল কৰে। ন্যায়াধীশ স্বামীনাথনে অলপতে তিৰুপ্পাৰনকুন্দ্ৰম পাহাৰৰ ওপৰত এটা দৰগাহৰ সমীপত ভক্তসকলক বন্তি জ্বলোৱাৰ অনুমতি দিছিল। সংসদত এগৰাকী ন্যায়াধীশৰ বিৰুদ্ধে মহাভিযোগৰ বাবে লোকসভাৰ ১০০ গৰাকী আৰু ৰাজ্যসভাৰ ৫০ গৰাকী সদস্যৰ স্বাক্ষৰসহ প্ৰস্তাৱ দাখিল কৰিব লাগে। এই প্ৰস্তাৱটো গ্ৰহণ কৰিলে এখন তিনিজনীয়া সদস্যৰ ন্যায়িক সমিতিয়ে বিষয়টো অনুসন্ধান কৰে। এই সমিতিখনে কোনো বিসংগতি দেখা পালে সংসদত মহাভিযোগ প্ৰস্তাৱত ভোটগ্ৰহণ কৰা হয়। এই প্ৰস্তাৱটো দুই-তৃতীয়াংশ ভোটত গৃহীত হ'লে ন্যায়াধীশগৰাকীৰ অপসাৰণৰ পৰামৰ্শ দিয়ে।

সংসদৰ চৌহদত ই-চিগাৰেটৰ বিষয়টোক লৈ লোকসভাৰ অধ্যক্ষই এই ঘটনাটোৰ সকলো দিশ সামৰি অনুসন্ধান চলাই থকাৰ লগতে পৰৱৰ্তী সময়ত যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব বুলি প্ৰকাশ কৰে। তেওঁ কয় যে ৰাজহুৱা স্থানত আইন অনুসৰি ধুমপান নিষিদ্ধ আৰু যদি এনে ঘটনা সংসদ প্ৰাঙ্গনত হৈছে তেন্তে ই দুৰ্ভাগ্যজনক। তেওঁ কয় যে সমিতিয়ে এই বিষয়টো বিচাৰ কৰি আছে। তৃণমূল কংগ্ৰেছৰ কেইগৰাকীমান সাংসদ সংসদ প্ৰাঙ্গনত ধুমপান কৰি থকা অৱস্থাত ধৰা পৰাত সংসদত ই-চিগাৰেটৰ বিষয়টো উত্থাপিত হয় আৰু যাৰ ফলত বিজেপি প্ৰৱল বিৰোধৰ সন্মুখীন হ'বলগীয়া হয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ পশ্চিম বংগলৈ যাব। ভ্ৰমণৰ সময়ছোৱাত শ্ৰীমোদীয়ে কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে নাদিয়া জিলাৰ ৰাণাঘাটত ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্প মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে প্ৰায় ৩ হাজাৰ ২০০ কোটি টকা ব্যয়সাপেক্ষে দুটা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পই ক'লকাতা আৰু শিলিগুৰিৰ মাজৰ যাতায়ত ব্যৱস্থাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এই প্ৰকল্পই ক'লকাতা আৰু শিলিগুৰিৰ মাজত যাতায়তৰ সময় প্ৰায় দুঘণ্টা হ্ৰাস কৰাৰ লগতে এই যাত্ৰা অধিক ক্ষীপ্ৰ আৰু সুচল কৰি তুলিব।

প্ৰধানমন্ত্ৰী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। ভ্ৰমণৰ সময়ছোৱাত শ্ৰীমোদীয়ে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত নৱনিৰ্মিত টাৰ্মিনেল ভৱনটো উদ্বোধন কৰিব। ভ্ৰমণৰ শেষৰ দিনা প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীৰ বৰাগাঁৱত থকা ছহিদ স্মাৰক ক্ষেত্ৰত ঐতিহাসিক অসম আন্দোলনৰ বীৰ ছহিদসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। পাছত তেওঁ অসম ভেলী ফাৰ্টিলাইজাৰ আৰু কেমিকেল কোম্পানী লিমিটেডৰ এমনিয়া ইউৰিয়া প্ৰকল্পৰ ভূমি পূজনতো ভাগ ল'ব।

০০০০০

ব্যক্তিগত ৰাজহুৱা ওজৰ আপত্তি আৰু পেন্সন মন্ত্ৰালয়ে আজিৰে পৰা চলিত বৰ্ষৰ সুপ্ৰশাসন সপ্তাহ - **প্ৰশাসনৰ গাঁৱৰ দিশে** কাৰ্যসূচী আৰম্ভ কৰিছে। সমগ্ৰ দেশতে হ'বলগীয়া এই অভিযানৰ বাবে আজি নতুন দিল্লীত নীতি-নিৰ্দেশনা মুকলি মন্ত্ৰালয়ৰ সচিব ৰচনা শ্বাহে কয় যে তৃণমূল পৰ্যায়ৰ জনসাধাৰণৰে কেনে ধৰণৰ সা-সুবিধা লাভ কৰিছে তাৰ ভিত্তিতেই সুপ্ৰশাসন নিৰ্ধাৰণ কৰিব পৰা যাব। তেওঁ লগতে কয় যে সুপ্ৰশাসনৰ কেৱল নীতি, প্ৰতিষ্ঠানিক পৰিকাঠামোত নহয়, বৰঞ্চ প্ৰতিগৰাকী নাগৰিকে কেনে ধৰণৰ সা-সুবিধা লাভ কৰিছে আৰু ৰাইজৰ ওজৰ-আপত্তিসমূহ সমাধান কৰাৰ ক্ষেত্ৰত কেনেদৰে সঁহাৰি আগবঢ়োৱা হৈছে সেয়া এখন দেশৰ সুপ্ৰশাসনক প্ৰতিফলিত কৰে। এই অভিযানক প্ৰস্তুতি আৰু কাৰ্যৰূপায়ণ -এই দুটা পৰ্যায়ত আগুৱাই লৈ যোৱা হ'ব। যোৱা ১১ ডিচেম্বৰৰ পৰা ১৮ ডিচেম্বৰলৈ অনুষ্ঠিত প্ৰস্তুতি পৰ্যায়ত ২ লাখ ১১ হাজাৰতকৈও অধিক ওজৰ-আপত্তি নিষ্পত্তি কৰা হয়। অভিযানৰ পৰৱৰ্তী পৰ্যায়ত জিলা আয়ুক্তসকলে খণ্ড, পঞ্চায়ত পৰ্যায়ত বিশেষ শিবিৰৰ আয়োজন কৰিব। চৰকাৰী বিষয়াসকলে জনসাধাৰণে যাতে প্ৰত্যক্ষভাৱে কথা পাতে, ঠাইতে ওজৰ-আপত্তি নিষ্পত্তি কৰিব পাৰে তাৰ উদ্দেশ্যে এই শিবিৰসমূহ আয়োজন কৰা হৈছে। অহা ২৫ ডিচেম্বৰত এই অভিযানৰ সামৰণি পৰিব।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি নতুন দিল্লীত নেডাৰলেণ্ডছৰ বৈদেশিক মন্ত্ৰী ডেভিদ ভেন ৱেলক সাক্ষাৎ কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত ড০ জয়শংকৰে কয় যে বৈঠকত উভয় দেশৰ বাণিজ্য, প্ৰতিৰক্ষা, জাহাজ পৰিবহন, জল, কৃষি, স্বাস্থ্য আৰু সংস্কৃতিকে ধৰি বিভিন্ন দ্বিপাক্ষিক সহযোগিতাৰ বিষয় সন্দৰ্ভত আলোচনা কৰা হয়। ছেমিকণ্ডাক্টৰ, প্ৰতিভাৰ বিকাশ তথা নবীকৰণযোগ্য আদি ক্ষেত্ৰত নতুন সুযোগৰ বিষয়েও নেতা দুগৰাকীয়ে আলোচনা কৰে বুলি তেওঁ প্ৰকাশ কৰে। দেশ দুখনৰ বহুপাক্ষিক সহযোগিতা আৰু আন্তঃৰাষ্ট্ৰীয় বিষয় সন্দৰ্ভতো বৈঠকত আলোচনা হয় বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

উত্তৰ পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই অঞ্চলটোৰ হস্ততাঁত আৰু হস্তশিল্প ক্ষেত্ৰখনক অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে আজি ভাৰ্চুৱেল ব্যৱস্থাৰে এখন উচ্চ পৰ্যায়ৰ বৈঠকত ভাগ লয়। শ্ৰীসিন্ধিয়াই কয় যে এই বৈঠকত দক্ষতা বিকাশ, মান প্ৰমাণিকৰণ আৰু অঞ্চলটোত উপলব্ধ দীৰ্ঘদিনলৈ ব্যৱহাৰযোগ্য আঁহ আৰু ৰঙৰ সন্দৰ্ভত বিশেষ গুৰুত্ব দিয়া হয়। বৈঠকত ই-কমাৰ্চৰ জৰিয়তে কেনেদৰে থলুৱা সামগ্ৰীসমূহৰ বজাৰ সম্প্ৰসাৰণ কৰিব পৰা যায় সেই সন্দৰ্ভতো আলোচনা কৰা হয়।

০০০০০

আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আৰম্ভ হৈছে। ইতিমধ্যে দক্ষিণ আফ্ৰিকাই টছত জয়লাভ কৰি ভাৰতক প্ৰথমে বেটিঙৰ বাবে আমন্ত্ৰণ জনাইছে। বাতৰি লিখাৰ পৰলৈকে ভাৰতে ২ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ২৫ ৰাণ সংগ্ৰহ কৰিছে। ভাৰত সম্প্ৰতি শৃংখলাত ২-১ ফলাফলত আগবাঢ়ি আছে।

০০০০০

ভাৰতীয় ৰে'লৱেই অনলাইনযোগে অসংৰক্ষিত টিকট ক্ৰয় কৰা যাত্ৰীসকলে, সত্যাসত্য নিৰূপণৰ সময়ত টিকটৰ প্ৰিণ্ট আউটৰ সলনি মোবাইল ফোনতেই টিকটটো দেখুৱাব পাৰিব বুলি স্পষ্ট কৰি দিছে। ৰে'ল বিভাগে অসংৰক্ষিত ৰে'লৰ টিকট অনলাইনযোগে ক্ৰয় কৰিলে প্ৰিণ্ট কপি দেখুওৱাটো বাধ্যতামূলক কৰা বুলি সংবাদ মাধ্যমত বাতৰি প্ৰকাশ পোৱাৰ পাছত এই স্পষ্টীকৰণ দিছে। বিভাগটোৱে লগতে অনলাইন বা অফলাইন কোনো এটা মাধ্যমত অসংৰক্ষিত টিকট ক্ৰয় কৰি যাত্ৰা কৰা লোকসকলে যাত্ৰা কালত টিকটটো নিজৰ লগত ৰাখিব লাগিব বুলিও স্পষ্ট কৰি দিছে।

০০০০০

**সমাপ্ত**